লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' : এক সমীক্ষাত্মক আলোচনা

✍ বিষ্ণুৰাত বৰা

অসমীয়া সাহিত্য-জগতৰ অনন্য প্ৰতিভাধৰ কবি, সাহিত্যিক, গীতিকাৰ, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ এখনি উল্লেখযোগ্য উপন্যাস হৈছে 'ককাদেউতাৰ হাড়'। ভাবগধুৰ কবিতা ৰচনাৰে নৱকান্ত বৰুৱাৰ জীৱন জ্যোতিষ্মান। উল্লেখযোগ্য কথা এয়ে যে কবিতা ৰচনাৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰাৰ সময়তে তেওঁৰ অন্যতম উপন্যাস 'ককাদেউতাৰ হাড়' অসমীয়া সাহিত্যৰ ৰসপিপাসুসকলৰ মাজত জনপ্ৰিয় হৈ পৰে। পৰম গৌৰৱৰ কথা যে এইখন উপন্যাসে ১৯৭৫ চনত 'সাহিত্য অকাডেমিৰ বঁটা' লাভ কৰিবলৈ সক্ষম হয়। নৱকান্ত বৰুৱাৰ 'পলস' নামৰ কবিতাৰ সম্প্ৰসাৰণেই এই উপন্যাসৰ সৃষ্টি। এই কথা তেওঁ সদৰি কৰিছে এইদৰে-"মোৰ কবিতাৰ সম্প্ৰসাৰণ মোৰ উপন্যাস।" পলসত তেওঁ লিখিছে-

"...কলং কপিলী দিজুৰ পাৰত
ককাদেউতাৰ হাড়,
বুঢ়ী আইতাৰ কলিজাৰে
গজে বন নহৰুৰ ফুল...।"

অতীতৰ সত্য ঘটনাৰ বিৱৰণ বা বিন্যাসেই হ'ল ইতিহাস। গতিকে অতীতৰ কোনো ঘটনাৰ বা কোনো বাস্তৱ লোকৰ বা কোনো যুগৰ অবলম্বনত ৰচিত উপন্যাসেই হৈছে ঐতিহাসিক উপন্যাস। 'এখুদ ককাইদেউ'ৰূপে খ্যাত নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' এখন অনুপম ঐতিহাসিক উপন্যাস। মূলত: ইতিহাস আশ্ৰয়ী এই উপন্যাসত প্ৰতিফলিত হৈছে আহোম যুগৰ এক সুন্দৰ প্ৰতিচ্ছবি। আহোম শাসনৰ শেষাংশৰ ভংগুৰ অৱস্থাৰ স্বৰূপ এই উপন্যাসখনত দাঙি ধৰা হৈছে। আহোম যুগৰ দুটা প্ৰতিপত্তিশালী পৰিয়ালৰ সত্য ঘটনায়েই ইয়াৰ বিষয়বস্তু। এই উপন্যাসখনৰ পটভূমি নগাঁও। নগাঁৱৰ দুখন ঐতিহাসিক ঠাই হৈছে মিকিৰহাট আৰু নৰে। উপন্যাসৰ দুটা অন্যতম মুখ্য চৰিত্ৰ ভোগেশ্বৰ বৰুৱা ওৰফে ভোগাই আৰু বাখৰ বৰা ওৰফে বাখৰৰ পৰিয়ালৰ বসতিস্থল আছিল ক্ৰমে মিকিৰহাট আৰু নৰে।

সম্বন্ধত ভোগাই আৰু বাখৰ আছিল জেঠেৰি-বৈনাই। ভোগায়ে বাখৰৰ ভনীয়েক মাহিন্দ্ৰীক বিয়া কৰাই বাখৰৰ পৰিয়ালৰ লগত সম্বন্ধ গঢ়িছিল। ভোগাইৰ পৰিয়াল গৌৰৱেৰে আৰু বাখৰৰ পৰিয়াল আৰ্থিক প্ৰতিপত্তিৰে মহীয়ান। দুয়ো দুয়োৰে প্ৰতিদ্বন্দী হিচাপে আত্মপ্ৰতিষ্ঠাৰ অৰ্থে প্ৰতিযোগিতাত ৰত হৈছিল| আত্মপ্ৰতিষ্ঠাৰ বাবে ক্ষমতালোভী ভোগাই আৰু বাখৰৰ মাজতে হোৱা খণ্ডযুদ্ধই এক ভয়াৱহ ৰূপ লৈছিল। এই যুদ্ধ আছিল অস্ত্ৰহীন যুদ্ধ; য'ত আছিল ইতিকিং, তিৰস্কাৰ আৰু গৰিহণা। ই আছিল চকু চৰহা দুজন ক্ষমতাশালী ব্যক্তিৰ মাজত হোৱা একপ্ৰকাৰৰ মৌন যুদ্ধ। যি যুদ্ধই ইজনে-সিজনৰ অন্তৰাত্মাত বাৰুকৈয়ে আঘাত দিছিল। 'ককাদেউতাৰ হাড়'ত উল্লেখ থকা মতে লেৰেলা বাপু নামৰ পুৰোহিতজন আছিল ভোগাই-বাখৰ দুয়ো পৰিয়ালৰে পুৰোহিত। এবাৰ বাখৰে পুৰোহিতৰ পুতেক গদক ফটা চুৰিয়া, টাপলি মৰা গামোচা, বৰালি মাছ, এটেকেলি পানী কাহুঁদি দি পৰোক্ষভাৱে ভোগাইকে অপমান কৰিছিল।—এনেদৰে কৰা ইতিকিং, গৰিহণা দিয়া কাৰ্যই পাছলৈ ভোগাই-বাখৰৰ মাজত ঘোৰ শত্ৰুতাৰ ৰূপ লৈছিল। যাৰ পৰিণতিত বাখৰ বৰাৰ মৃত্যু পৰ্যন্ত হৈছিল। এই শত্ৰুতাৰ যি ভাব, যি আঁৰিয়াআঁৰি; তাৰ প্ৰভাৱ বাৰুকৈয়ে জনসাধাৰণৰ ওপৰত পৰিছিল। কুমাৰ গাঁও নামৰ এখন গাঁৱৰ মানুহৰ কিদৰে ভোগাই আৰু বাখৰৰ আত্মপ্ৰতিষ্ঠাৰ ৰণত 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ'ৰ দৰে অৱস্থা হৈছিল— এনে এখন প্ৰতিচ্ছবিৰ মাজেৰে উপন্যাসৰ কাহিনীয়ে গতি লাভ কৰিছে।

উপন্যাস এখনৰ প্ৰধান উপাদান কাহিনী যদিও নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'ত কোনো পোনপটীয়া কাহিনী পৰিলক্ষিত নহয়। ঔপন্যাসিক নৰকান্ত বৰুৱাই উপন্যাসখনক এক ঐতিহাসিক ৰূপ দিছে। ইয়াত আহোম শাসনৰ শেষৰফালৰ দুৰ্বল শাসকৰ স্বৰূপ উদঙাই দিয়া হৈছে। এই দুৰ্বলতাৰ সুযোগ লোৱা স্বেচ্ছাচাৰী বিষয়ববীয়াসকলে কিদৰে আত্মপ্ৰতিষ্ঠাৰ বাবে প্ৰতিযোগিতাৰ সৃষ্টি কৰিছিল, এই সংঘৰ্ষই কিদৰে থলুৱা, চহা লোকৰ জীৱন ধ্বংস কৰিছিল, এই সংঘৰ্ষৰ পৰিণতি কি হ'ল— এনেবোৰ কথাৰেই উপন্যাসখনৰ কাহিনীৰ মূল ভেঁটি তৈয়াৰ হৈছে।

'ককাদেউতাৰ হাড়'ৰ এটি অন্যতম বিশেষত্ব হৈছে কাহিনীটোৰ উপস্থাপনশৈলী। লেখকে কাহিনীটো বৰ্ণনাৰ বাবে বৰ্তমানৰ সহায় লৈছে আৰু ক্ৰমান্বয়ে অতীতলৈ উভতি গৈছে। উপন্যাসখনৰ 'আইতা' চৰিত্ৰটিৰ মাধ্যমেৰে ঔপন্যাসিকে কাহিনীৰ বৰ্ণনা আগবঢ়াইছে। আইতাই 'বৰমইনা' (নাতি) ৰ আগত ভোগাই-বাখৰৰ সমগ্ৰ ঘটনাৰাজি বৰ্ণনা কৰি গৈছে।

কাহিনীৰ লগত সংগতি ৰাখি আইতাই মাজে মাজে আন আন প্ৰসংগও উত্থাপন কৰিছে। এইখিনিতে মন কৰিবলগীয়া কথা এয়ে যে আইতাকেনো কাহিনীটো বৰমইনাৰ আগত কিয় ব্যক্ত কৰিলে! উপন্যাসত উল্লেখ থকা অনুসৰি বৰমইনা অৰ্থাৎ নাতিয়েকে যেতিয়া হেমন্ত আৰু নমিতাৰ বিয়াৰ প্ৰস্তাৱ লৈ নগাঁওবাসী আইতাকৰ ঘৰলৈ গ'ল, তেতিয়া আইতাকে বিয়াৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে। 'কিয়?' বোলা প্ৰশ্নৰ উত্তৰত আইতাকে কাহিনীটো বৰ্ণনা কৰিবলগীয়া হ'ল। অৱশ্যে শেষত আইতাকে এই বিয়াত সন্মতি প্ৰদান কৰে। এনেদৰে নৰকান্ত বৰুৱাদেৱে 'আইতা' চৰিত্ৰটিৰ জৰিয়তে কৰা কাহিনীটোৰ উপস্থাপন শৈলীৰ সুন্দৰ প্ৰকাশ 'ককাদেউতাৰ হাড়'ত ফুটি উঠিছে। উপন্যাসখনৰ 'নতুন লয়াৰ্ছ বুক ষ্টল সংস্কৰণ: ১৯৯২'ত 'লেখকৰ এষাৰ'ত ঔপন্যাসিক বৰুৱাদেৱে লিখিছে এনেদৰে—"এটা কথা মাত্ৰ মনত খেলাইছে। আইতাৰ মুখত আধুনিক ৰাজনীতিৰ চৰিত্ৰ হননৰ ইংগিত দিবলৈ চেষ্টা কৰিছিলোঁ...সেই চৰিত্ৰ হননেও দেখোন এতিয়া 'ককাদেউতাৰ হাড়'ৰ বা তাৰো আগৰ যুগৰ দৈহিক হত্যাৰ ৰূপহে ল'বলৈ আৰম্ভ কৰিছে। আমি দুখ পোৱা এইবোৰ কথা কাহিনীৰ আইতাজনীয়ে গম নোপোৱাকৈ গ'ল!"

'চৰিত্ৰ' হৈছে কোনো এখন উপন্যাসৰ মূল উপাদান। ঔপন্যাসিক নৰকান্ত বৰুৱাদেৱে উপন্যাসখনৰ চৰিত্ৰসমূহৰ সম্পৰ্কত কৈছে—"মোৰ বোধেৰে এইখন নায়ক বা খলনায়ক নোহোৱা এখন উপন্যাস। ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ 'সময়'।" উপন্যাসখনৰ চৰিত্ৰসমূহ কল্পনাপ্ৰসূত। বাখৰ বৰাৰ সম্বন্ধে প্ৰচলিত এটি কাহিনীক লৈয়েই পুথিখন ৰচিত। পুথিখনত গ্ৰন্থকাৰে 'আইতা' চৰিত্ৰটিৰ মাধ্যমেৰে সমগ্ৰ ঘটনাটোৰ সমীক্ষাত্মক বৰ্ণনা কৰিছে। এইদৰে বৰুৱাদেৱে 'আইতা' চৰিত্ৰটি অতীতৰ এক সাৰ্থক প্ৰতিনিধিৰূপে অংকন কৰিছে। 'ভোগাই' আৰু 'বাখৰ' চৰিত্ৰ দুটাক লেখকে সমাজৰ প্ৰতিপত্তিশীল ব্যক্তিৰূপে গঢ় দিছে। এই চৰিত্ৰ দুটাৰ মাজৰ মতবাদ,সংঘৰ্ষক লৈয়েই কাহিনী ৰূপায়িত ৰূপায়িত হৈছে। উপন্যাসখনৰ কাহিনীৰ মাজে মাজে আন আন চৰিত্ৰ যেনে: মাহিন্দ্ৰী, সুমনা, লেৰেলা বাপু, গদ, বৰ্হমচৰীয়া, জুৰাই বৰুৱা, সুভদ্ৰা আদিয়েও ভুমুকি মাৰিছে যদিও এইসমূহ চৰিত্ৰ বিশেষ মহত্ব প্ৰকাশক নহয়। বৰুৱাদেৱে কোৱাৰ দৰে এই উপন্যাসত কোনো নায়ক বা খলনায়কৰ চৰিত্ৰ নাই। গ্ৰন্থখনত তেওঁ বৰ্তমান সময়ৰ মানুহকে অংকন কৰি, তাক সময়ৰ পৰিৱৰ্তনৰ লগত সাঙুৰিছে। তেওঁ কৈছে—"মই এতিয়াৰ মানুহকে আঁকিছোঁ, মাত্ৰ দূৰলৈ নি চাব বিচাৰিছোঁ।" আকৌ নৰকান্ত বৰুৱাদেৱে কৈছে এইবুলি—"ইতিহাস চেতনা বোলা উপলব্ধি এটা মোৰ কবিতা আৰু

উপন্যাসৰ মৌলিক চৰিত্ৰ বুলি অ'ত ত'ত কোৱা শুনিছোঁ। ময়ো তেনেকৈয়ে ভাবোঁ।" ওপৰৰ আলোচনাৰপৰা এটা কথা স্পষ্টৰূপে দেখা গৈছে যে 'ককাদেউতাৰ হাড়'ৰ মুখ্য বা কেন্দ্ৰীয় চৰিত্ৰ হৈছে 'সময়' আৰু 'ইতিহাস চেতনা'| এইদৰে বৰুৱাদেৱে কাহিনীভাগ ইতিহাসৰ পাতত সময়ৰ পৰিৱৰ্তনৰ সৈতে সাঙুৰি দিছে।

উপন্যাসৰ আন এটি উপাদান হৈছে চৰিত্ৰৰ মুখৰ সংলাপ। সংলাপ অবিহনে এটি চৰিত্ৰ যেন উকা উকা। এটি চৰিত্ৰক সম্পূৰ্ণ কৰিব পাৰে কেৱল সংলাপেহে। সংলাপে চৰিত্ৰটিক অধিক জীৱন্ত কৰি তোলে। এই উপন্যাসখনতো সংলাপৰ পোনপটীয়া প্ৰভাৱ দেখা গৈছে। কাহিনীৰ চৰিত্ৰসমূহৰ মুখত দিয়া দয়া, প্ৰেম, ক্ৰোধ, মৰম-স্নেহৰ যি ভাব বৰুৱাদেৱৰ এই উপন্যাসৰ মাজেৰে প্ৰকাশ পাইছে; সেয়া সঁচাকৈয়ে অতুলনীয়।

'ককাদেউতাৰ হাড়' এখন কাব্যিক উপন্যাস। এই উপন্যাসত প্ৰতিফলিত হৈছে সহজ-সৰল অসমীয়া ভাষা। ডাঙৰ-সৰু, ল'ৰা-বুঢ়া সকলোৱে বুজিব পৰাকৈ অতি সহজ ভাষাশৈলীত ৰচিত এই উপন্যাসখনে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছে। 'ককাদেউতাৰ হাড়' উপন্যাসখনৰ নাট্যৰূপ ড° অমৰজ্যোতি চৌধুৰীৰদ্বাৰা মঞ্চস্থ কৰা হৈছিল। এই গ্ৰন্থখন হিন্দী আৰু মালয়ালম ভাষালৈও অনূদিত হৈছে। 'ককাদেউতাৰ হাড়' মূলতঃ ইতিহাস আশ্ৰয়ী। সৰল উপস্থাপন, দক্ষতাৰে চৰিত্ৰ অংকন, কাব্যিকতা, সহজ-সৰল ভাষাশৈলীৰে সমৃদ্ধ নৰকান্ত বৰুৱাদেৱৰ 'ককাদেউতাৰ হাড়' এখন সাৰ্থক উপন্যাসৰূপে পৰিগণিত হৈছে।

'ককাদেউতাৰ হাড়' সম্পৰ্কে বিভিন্ন গৰাকী আলোচকে বিভিন্ন গ্ৰন্থ, আলোচনী আদিত আলোচনা আগবঢ়াইছে। ইয়াৰে কেইটিমান আলোচনাৰ অংশবিশেষ উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।

**এখন ভাল ঐতিহাসিক উপন্যাস:**

"নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'ত (১৯৭৩) আকৌ ঐতিহাসিক লোকৰ স্থান তেনেই সীমিত। বাখৰ বড়াৰ কথা ইতিহাসতকৈয়ো কিম্বদন্তীত বা লোক সাহিত্যতহে পোৱা যায়। খৰঙি বৰুৱাৰ পৰিয়ালটোও বাস্তৱ হ'লেও লিখিত ইতিহাসত তাৰ স্থান নাই। কিন্তু জনস্মৃতিত মাথোন থকা এনে দুটি সত্য পৰিয়ালৰ কাহিনীৰে ৰচি উলিওৱা 'ককাদেউতাৰ হাড়' এখন ভাল ঐতিহাসিক উপন্যাস। কিয়নো যি যুগৰ কাহিনী ই অংকিত কৰিছে সেই যুগৰ পৰিৱেশ, প্ৰমূল্য, ৰীতি-নীতি আদি ইয়াত অতি সুন্দৰকৈ ফুটি উঠিছে।" —ড° গোবিন্দ প্ৰসাদ শৰ্মা
'উপন্যাস আৰু অসমীয়া উপন্যাস'

**ষ্টাইলিষ্ট নৱকান্ত**

"এটা করুণ অতীত উপন্যাসখনৰ বিষয়বস্তু। এটা সংগঠিত কাহিনী আৰু মননশীল কলাসন্মত উপস্থাপন, সাৰ্থক চৰিত্ৰসৃষ্টি আৰু সৰ্বোপৰি ভাষাৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্বল নৱকান্তৰ 'ককাদেউতাৰ হাড়' আমাৰ সাহিত্যত স্মৰণীয় সৃষ্টিৰূপে জীয়াই থাকিব।

উপন্যাসখনৰ অন্যতম ঘাই বৈশিষ্ট্য হ'ল ইয়াৰ কথাশৈলীৰ গুণগত উৎকৰ্ষ, যাৰ বলত নৱকান্তই নিজকে এজন 'ষ্টাইলিষ্ট' বুলি দাবী কৰিব পাৰে। ইয়াত আছে এক সহজ, অনাড়ম্বৰ, কথোপকথনৰ ভংগী আৰু ইয়াৰ স্বাভাৱিক সৌষ্ঠৱ সৰ্বত্ৰ ৰক্ষা কৰা হৈছে। এইখন উপন্যাসৰ কথাশৈলীৰ উপযুক্ত ৰিজনি অসমীয়া সাহিত্যত অনন্য, বিৰল।"

—ড° প্ৰফুল্ল কটকী

'স্বৰাজোত্তৰ অসমীয়া সাহিত্যৰ সমীক্ষা'

**বৰলোকৰ ভেম**

"'ককাদেউতাৰ হাড়'ৰ বক্তা বুঢ়ী আইতাৰ দৃষ্টি বিজ্ঞানসন্মত, ভেম আৰু অহংকাৰৰ বৰখুঁটাত আওজি কেনেকৈ দুঘৰ কলংপৰীয়া বৰুৱা—ভোগাই আৰু বাখৰৰ ঘৰ, ধ্বংসৰ পাটনাদত পতিত হ'ল তাক আকৰ্ষণীয়াকৈ, কঠোৰ অথচ সংযত ভঙ্গীৰে ক'ব পাৰিছে। ঔপন্যাসিকৰ মতে সামন্তযুগীয় বৰলোকসকলৰ জীৱনৰ সৰ্বস্ব আছিল ভেম।"

—শশী শৰ্মা

'আধুনিক অসমীয়া কাহিনী-সাহিত্যত প্ৰগতিশীল চিন্তাৰ বিকাশ'

**যোগাযোগৰ ঠিকনা:**
দ্বাদশ শ্ৰেণী
অসম জাতীয় বিদ্যালয়